5.(*) ৰাজনৈতিক তত্ত্ব মানে কি বুজা ? ইয়াৰ প্ৰাসংগিকতা আলোচনা কৰা।

→

**আৰম্ভণি :-** ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞানৰ এক উল্লেখযোগ্য শাখা। ৰাজনৈতিক তত্ত্বৰ বলতেই ৰাজনীতি বিজ্ঞানে অধ্যয়নৰ বিষয় হিচাপে সুকীয়া মৰ্যাদা লাভ কৰিছে।

**অৰ্থ :-**

ৰাজনৈতিক তত্ত্বৰ অৰ্থ বুজিবলৈ "ৰাজনৈতিক" আৰু "তত্ত্ব" এই দুটা শব্দক বেলেগে বেলেগে উল্লেখ কৰিব লাগিব। ৰাজনৈতিক বুলি কলে এক বিষয় যিটো সমাজৰ লগত জড়িত থাকে প্ৰক্ৰিয়াত পৰা পৃথক। ৰাজনীতি বা ৰাজনৈতিক শব্দটো গ্ৰীক শব্দ "polis"ৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে নগৰ ৰাষ্ট্ৰ। অৰ্থাৎ ৰাজনৈতিক শব্দটোৱে ৰাষ্ট্ৰীয় কাৰ্যকলাপ বা ৰাষ্ট্ৰীয় সুসমতাক বুজায়।

"তত্ত্ব" শব্দটো গ্ৰীক শব্দ "Theoria"ৰ পৰা আহিছে; যাৰ অৰ্থ হৈছে কোনো বিষয় জনাৰ বাবে মানসিক দৃষ্টিভংগী প্ৰদান কৰা বা কোনো বিষয়ক সাধাৰণীকৰণৰ ভিত্তিত সুসংবদ্ধ কৰা। অৰ্থাৎ তত্ত্ব শব্দটো শৃংখলাবদ্ধ জ্ঞান বা সুসংবদ্ধ জ্ঞানৰ লগত জড়িত।

গতিকে ৰাজনৈতিক তত্ত্ব হ'ল ৰাজনৈতিক জীৱন, বিভিন্ন উদ্দেশ্যসমূহ তথা ৰাজনৈতিক অৱস্থা

P.T.O

আৰু সঁচাৰ তথ্যভিত্তিক অধ্যয়নেৰে প্ৰাপ্ত কৰা সিদ্ধান্ত আৰু সাধাৰণীকৰণৰ এক সমষ্টি ।

সংজ্ঞা :-

ৰাজনৈতিক তত্ত্বৰ সম্পৰ্কে বিভিন্ন ৰাজনৈতিক পণ্ডিতে বিভিন্ন সংজ্ঞা আগবঢ়াইছে ।

জৰ্জ চেবাইনৰ, মতে বহুল অৰ্থত ৰাজনৈতিক তত্ত্ব ৰাজনীতিৰ লগত জড়িত আৰু সীমিত অৰ্থত ই ৰাজনৈতিক সমস্যাৱলী প্ৰণালীবদ্ধ অনুসন্ধানৰ বৃত্তান্ত।

এনড্ৰিউ হেকাৰৰ, মতে ৰাজনৈতিক তত্ত্বই এফালেদি ভাল ৰাষ্ট্ৰ আৰু ভাল সমাজৰ নীতিৰ নিৰ্দেশ অধ্যয়ন ; আনফালে ৰাজনৈতিক আৰু সামাজিক বাস্তৱ অভিজ্ঞতাৰ নিমিত্তে অন্বেষণ কৰে ।

জে চি প্লানো আৰু আৰ এফ. ৰিগচৰ মতে, ৰাজনৈতিক তত্ত্ব হল সকলো ৰাজনৈতিক অৱস্থা আৰু ঘটনা সম্পৰ্কে ব্যাখ্যা, বিশ্লেষণ আৰু সেইবোৰৰ বিষয়ে ভৱিষ্যতবাণী কৰিব পৰা চিন্তাধাৰাৰ সমষ্টি ।

উপৰোক্ত সংজ্ঞা সমূহৰ পৰা ক'ব পাৰি যে ৰাজনৈতিক তত্ত্ব হৈছে ৰাজনীতি বিজ্ঞানী সকলে ৰাজনৈতিক ঘটনা প্ৰবাহৰ সন্দৰ্ভত আগত কৰা পৰ্যালোচনীয় তথ্য আৰু সমূহৰ এক প্ৰণালীবদ্ধ অধ্যয়নৰ ভিত্তিত উলিওৱা সিদ্ধান্ত আৰু সাধাৰণীকৰণ ।

ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব :-

ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত ৰাজনৈতিক তত্ত্বৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে । P.T.O

প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে ৰাজনৈতিক পণ্ডিত-সকলে আগবঢ়োৱা তত্ত্বসমূহে ৰাজনীতি বিজ্ঞানৰ প্ৰবল চহকী কৰিছে। ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

<u>*.1 স্বতন্ত্ৰ অধ্যয়নৰ বিষয়</u> ঃ- ৰাজনৈতিক তত্ত্বই ৰাজনীতি বিজ্ঞানক এটা স্বতন্ত্ৰ অধ্যয়নৰ বিষয় হিচাপে থিয় কৰোৱাত সহায় কৰিছে। তত্ত্বই এটা বিষয়ক বিজ্ঞানৰ মৰ্যাদা দিব পাৰে। তত্ত্বই অধ্যয়নৰ বাবে সামগ্ৰি প্ৰস্তুত কৰি গৱেষণা আৰু তথ্য সংগ্ৰহৰ দিশে আগবঢ়াই নিয়ে।

<u>*.2 বিজ্ঞানসন্মত বৈশিষ্ট্য প্ৰদান</u> ঃ- কোনো ৰাজনৈতিক ঘটনাৰ সমাধানৰ বাবে তথ্য সংগ্ৰহ কৰি বিচাৰ বিশ্লেষণ পৰে বিজ্ঞানসন্মত সিদ্ধান্ত উপনীত হোৱাত ৰাজনৈতিক তত্ত্বই অবিহণা যোগায়।

<u>*.3 নীতি-নিৰ্ধাৰণত সহায়ক</u> ঃ- বাস্তৱ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজনৈতিক তত্ত্বই নীতি-নিৰ্ধাৰক-সকলক সহায় কৰে। সাধাৰণতে সমাজৰ সঠিক-সাংস্কৃতিক পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ৰাজনৈতিক ধাৰণা সমূহ উদ্ভৱ হয়।

<u>*.4 ৰাজনৈতিক জ্ঞান</u> ঃ- ৰাজনৈতিক তত্ত্বই জন-সাধাৰণক ৰাজনৈতিক জ্ঞানৰ সন্ধান দি ৰাজনৈতিক ভাৱে সচেতন কৰিছে। ফলত ৰাজনৈতিক ভাৱে সচেতন ব্যক্তিসকলে ৰাষ্ট্ৰৰ উদ্দেশ্য পূৰণত সক্ৰিয় সহযোগিতা আগবঢ়াইছে।

P.T.O

***.5 চৰকাৰক বৈধতা প্ৰদান :-** চৰকাৰক বৈধতা প্ৰদান কৰা ক্ষেত্ৰত ৰাজনৈতিক তত্ত্বৰ যথেষ্ট ভূমিকা আছে। বহু সময়ত বৈধতা বাবে চৰকাৰ এখোন খনে ৰাজনৈতিক আদৰ্শৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে জাৰ্মানিত হিটলাৰ আৰু ইটালীত মুছোলিনিয়ে বৈধতা বাবে ক্ৰমে নাজীবাদ আৰু ফেচীবাদৰ সহায় লৈছিল।

***.6 সমাজ ব্যৱস্থা পৰিৱৰ্তন :-** প্ৰাচীন যুগৰ সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনত ৰাজনৈতিক তত্ত্বই সহায় কৰি আহিছে। ইতিহাসৰ বিভিন্ন স্তৰত সমকালীন আৰ্থ-সামাজিক আৰু ৰাজনৈতিক বাতাৱৰণৰ প্ৰতিফলন হিচাপেই বিভিন্ন ৰাজনৈতিক তত্ত্বৰ উদ্ভৱ হৈছে আৰু এই চিন্তাবিধি সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সম্ভৱ কৰিছে।

***.7 দৈনন্দিন জীৱনত ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব সম্পৰ্কে আগবঢ়োৱা মতামত তলত বিশ্লেষণ কৰা হ'ল :-**

(ক) ৰাজনৈতিক তত্ত্বই গুৰুত্বপূৰ্ণ ৰাজনৈতিক চলকবোৰক চিনাক্ত কৰি পাৰস্পৰিক সম্পৰ্ক স্থাপনত সহায় কৰে।

(খ) ৰাজনৈতিক তত্ত্বই গৱেষণাৰ ফলাফলবোৰৰ তুলনামূলক অধ্যয়ন কৰে, পূৰ্বৰ গৱেষণা সকলৰ সিদ্ধান্তবোৰৰ শুদ্ধতা নিশ্চিত কৰে আৰু প্ৰয়োজন হোৱা গৱেষণাৰ ক্ষেত্ৰবোৰ নতুনকৈ নিৰ্বাচন কৰে।

## সামৰণি :-

ওপৰৰ আলোচনাৰ পৰা এইটো সিদ্ধান্তত উপনীত হ'ব পাৰি যে ৰাজনৈতিক তত্ত্ব অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। ৰাজনৈতিক তত্ত্বই ৰাজনীতি বিজ্ঞানক স্বকীয়া বিষয় হিচাপে স্বীকৃতি লোৱাত সহায় কৰিছে। লগতে এখন সুস্থ ৰাজনৈতিক বিশ্বকো আহ্বান দিবলৈ প্ৰয়াস কৰিছে ।

—o—o—